## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ তৃতীয়     বিষয় ঃ ভাষা-১ (অসমীয়া)     চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

➯ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত বৰ্ণসমূহ চিনি পাই সাৱলীলভাৱে পঢ়িব পাৰিব।
➯ পাঠভিত্তিক প্ৰশ্নসমূহ বুজি পাব আৰু উত্তৰ দিব পাৰিব।
➯ ছবি পৰ্যবেক্ষণ কৰি ক'ব পাৰিব।
➯ পাঠত থকা কঠিন শব্দৰ অৰ্থ অভিধান চাই জানিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ) লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) শিৱসাগৰ চাওঁ আহা | - | পাঠ নং ১২ |
| খ) কামৰ সৰু বৰ নাই | - | পাঠ নং ১৩ |
| গ) মৰমৰ আই | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত 'শিক্ষাৰ অধিকাৰ আইন ২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

গুণোৎসৱৰ ফলাফলত দেখা গৈছে যে তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পঠন কৌশল আয়ত্ত কৰিব পৰা নাই। বহু সময়ত শিক্ষাৰ্থীয়ে পঢ়ি যাওঁতে পাঠোদ্ধাৰ কৰিব নোৱাৰে। এনে দুৰ্বলতা দূৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট অনুশীলন কৰোৱা প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীৰ পঠন কৌশল বিকাশৰ ক্ষেত্ৰত এই মুক্ত শৈক্ষিক সমল সামগ্ৰীখিনি সহায়ক হ'ব বুলি আশা কৰা হৈছে।

জৰীপৰ ভিত্তিত শিশুসকলৰ পঠনৰ ক্ষেত্ৰত দেখা পোৱা সমস্যাসমূহ তলত দিয়া ধৰণৰ —

ক) পাঠত অন্তৰ্ভূক্ত যুক্তাক্ষৰযুক্ত বৰ্ণ উচ্চাৰণ কৰি শব্দসমূহ পঢ়িব নাজানে।
খ) কাহিনী পঢ়ি অৰ্থ বুজি নাপায় আৰু প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে।
গ) ছবি চাই ছবিৰ অন্তনিহিত অৰ্থ প্ৰকাশ কৰিব নোৱাৰে।
ঘ) অভিধান ব্যৱহাৰ কৰিব নাজানে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

➯ ছাত্ৰ-ছাত্ৰীসকলে পঠন জ্ঞান সঠিকভাৱে অৰ্জন কৰিব পাৰিব।
➯ অভিধান চাবলৈ শিকিব।
➯ যিকোনো পাঠ পঢ়ি তাৰ অৰ্থ উদ্ধাৰ কৰিব পাৰিব।
➯ পাঠবোৰ পঢ়ি বুজি প্ৰশ্নৰ উত্তৰ দিব পাৰিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

➯ ছাত্ৰ-ছাত্ৰীৰ পঠনৰ নিৰ্ভুলতাত সহায় কৰিব পাৰিম।
➯ ছাত্ৰ-ছাত্ৰীসকলে যুক্তাক্ষৰযুক্ত শব্দসমূহ গাইগুটিয়াকৈ উচ্চাৰণ কৰিব পৰাৰ প্ৰতি লক্ষ্য ৰাখিব পাৰিম।
➯ পঠন অনুশীলনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ পঠন দুৰ্বলতা সমূহ আঁতৰাব পাৰিম।

**বিকাশৰ ব্যৱস্থাৱলী —**

- ➪ এই সমল সামগ্ৰী অধ্যয়নৰ কৰি বিভিন্ন ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰৰ ক্ষেত্ৰত থকা দুৰ্বলতা দূৰ কৰিব পাৰিম।
- ➪ প্ৰয়োজনীয় শব্দসমূহৰ অৰ্থ নিশ্চিত কৰিবলৈ ছাত্ৰ-ছাত্ৰীক অভিধান চোৱাৰ কৌশল আয়ত্ত কৰাত গুৰুত্ব দিব পাৰিম।
- ➪ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| যুক্তাক্ষৰযুক্ত বৰ্ণসমূহ চিনি পাই সাৱলীলভাৱে পঢ়িব পাৰিব। | পাঠ্যপুথি অংকুৰণ | ব্যক্তিগত কাৰ্য | ১) তোমালোকে বিদ্যালয়ত সৰস্বতী পূজা পালন কৰানে? বাক্যটোত থকা - দ্য (দ +য়), স্ব (স + ৱ) যুক্তাক্ষৰ দুটা গঠন কৰি পঢ়া।<br>২) শ্ৰেণীকোঠাৰ ডেস্কবোৰ পৰিপাটিকৈ ৰাখা এই যুক্তাক্ষৰটো ভাঙাঃ<br>- স্ক ! (ক +স)। | অ ৱি ৰ ত আ ৰু সা ম গ্ৰি ক মূ ল্যা য় ন |
| পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | পাঠ্যপুথি দফা বা পাঠবহিৰ্ভূত দফা। | দলগত কাৰ্য | "ৰীণা আৰু বীণা খুড়াকৰ লগত গুৱাহাটী নগৰ চাবলৈ আহিছে। তেওঁলোকে নগৰত বহুতো ওখ ওখ ঘৰ দেখিলে। যাদুঘৰ, তৰাঘৰ আৰু চিৰিয়াখানাও চালে। তেওঁলোকে উৰণীয়া সেতুঁও দেখিলে। নগৰত বহুতো গাড়ী-মটৰ চলা দেখিলে। তেওঁলোক শংকৰদেৱ কলাক্ষেত্ৰ চাবলৈও গৈছিল। ৰীণাহতে গাঁৱৰ দৰে নগৰত বেছি গছ-গছনি দেখা নাপালে। ৰীণাহতে গাঁওতকৈ নগৰৰ পৰিৱেশ যথেষ্ট বেলেগ দেখিলে।"<br>প্ৰশ্ন ১ ঃ ৰীণা আৰু বীণা কাৰ লগত গুৱাহাটীলৈ গৈছিল?<br>প্ৰশ্ন ২ ঃ তেওঁলোকে নগৰত কি কি দেখিলে?<br>প্ৰশ্ন ৩ ঃ নগৰ আৰু গাঁৱৰ পৰিৱেশৰ মাজত কি পাৰ্থক্য আছে? | |
| পাঠত থকা কঠিন শব্দৰ অৰ্থ অভিধান চাই জানিব পাৰিব। | চন্দ্ৰকান্ত অভিধান, হেমকোষ | দলগত কাৰ্য | তোমালোকে দফাটোত কি কি টান শব্দ পাইছা কোৱা —<br>উৰণীয়া, সেঁতু, যথেষ্ট।<br>(অভিধানত কেনেকৈ শব্দ বিচাৰি অৰ্থ উলিয়াব লাগে শিক্ষকে সেয়া দেখুৱাই দিব।) | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

মধুমিতা দাস গোৱালপাৰা জিলাৰ লক্ষীপুৰ শিক্ষাখণ্ডৰ বাছবাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। তেখেতে তৃতীয় শ্ৰেণীত পাঠদান কৰে। শ্ৰেণীকোঠাত ভাষাৰ পাঠদানত তেখেতে লক্ষ্য কৰিলে যে পাঠ পঢ়োঁতে বাক্যত থকা যুক্তাক্ষৰ বৰ্ণসমূহৰ উচ্চাৰণত ছাত্ৰ-ছাত্ৰীসকলৰ গতিবেগ হ্ৰাস হয় আৰু কিছুমান ছাত্ৰ-ছাত্ৰী কেতিয়াবা শব্দটোৰ উচ্চাৰণ নকৰি নিমাত হৈ থাকে আৰু কেতিয়াবা এৰাই চলে। এনেকুৱা ক্ষেত্ৰত বাইদেৱে ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ ক্ষমতা বৃদ্ধিৰ কাৰণে কেনেধৰণৰ ব্যৱস্থা লৈছে চাওঁ আহক।

**প্ৰস্তুতি ঃ** মধুমিতা দাসে শিক্ষাৰ্থীসকলক অসমীয়া ভাষাৰ যুক্তাক্ষৰৰ ধাৰণা জন্মাবলৈ তলত দিয়া ধৰণৰ কিছুমান সঁজুলি নিৰ্মাণ কৰি লৈছে ।

- ➪ তেওঁ কাৰ্ডত সৰু সৰু সাধু লিখি লৈছে।
- ➪ ব্লেকবোৰ্ড , চক, ডাষ্টাৰ যোগাৰ কৰি লৈছে। ইত্যাদি

মধুমিতা বাইদেৱে ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰ শিকাবলৈ দলীয় শিক্ষণ পদ্ধতিক উত্তম বুলি গণ্য কৰিছে। সেয়ে মধুমিতা বাইদেৱে ইয়াত দলীয় শিকন পদ্ধতি অৱলম্বন কৰিছে। তেখেতে শ্ৰেণীত কি কৰিছিল তেখেতৰ পৰাই শুনোঁ আহক।

“তৃতীয় শ্ৰেণীৰ ভাষা বিষয়ৰ পাঠদান কৰিবলৈ গৈ মই প্ৰথমে সৰু সৰু যুক্তাক্ষৰ বিহীন শব্দবোৰ লিখি দিছিলোঁ আৰু সেইবোৰ তেওঁলোকক পঢ়িবলৈ দিছিলোঁ। পঢ়িব নোৱাৰা ছাত্ৰ-ছাত্ৰীসকলক ওজা ছাত্ৰৰ সহায়ত শিক্ষণ প্ৰক্ৰিয়া চলাই নিবলৈ দিছিলোঁ। ইয়াৰ পাছতে সেইবোৰ তেওঁলোকৰ নিজৰ বহীত লিখিবলৈ দিছিলোঁ। এনে কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ আখৰ আৰু ধ্বনিগত শিক্ষণ সম্ভৱ হৈ পৰিছিল।

শ্ৰেণীকোঠাত থকা ২০ জন ছাত্ৰ-ছাত্ৰীক ৪ জনীয়াকৈ ৫ টা দলত ভাগ কৰি লিখি অনা কাৰ্ডবোৰ বিলাই দিছিলোঁ। প্ৰথমতে মই সাধুটো ছাত্ৰ-ছাত্ৰীসকলে বুজি পোৱাকৈ কৈ দিলোঁ। তাৰ পিছত সাধুটো আদৰ্শ পঠন কৰি যুক্তাক্ষৰযুক্ত শব্দসমূহ জোৰকৈ পঢ়ি দিলোঁ। মাজে মাজে ছাত্ৰ-ছাত্ৰীসকলৰ লগত সমূহীয়াভাৱেও উচ্চাৰণ কৰি পঢ়িলো। তাৰ পিছত পুনৰ পাঠটোত থকা যুক্তাক্ষৰ বৰ্ণ কেইটা চিনাক্ত কৰি চিন দিবলৈ দিলোঁ। দলত ছাত্ৰ-ছাত্ৰীসকলক শব্দসমূহ উচ্চাৰণ কৰিবলৈ দি উচ্চাৰণৰ শুদ্ধতাৰ নিৰীক্ষণ কৰিলোঁ। নিৰীক্ষণ কৰি দেখিলো যে উচ্চাৰণ কৰিব নোৱাৰা দুৰ্বল ছাত্ৰ-ছাত্ৰীক ওজা ছাত্ৰৰ সহায়ত বাৰে বাৰে উচ্চাৰণ কৰাই সমস্যাৰ সমাধান কৰিব পাৰি।

পুনৰ বেলেগ বেলেগ বাতৰি-কাকতৰ সাধুৰ দফা আকাৰে কাটি সেইবোৰৰ ভিতৰত থকা যুক্তবৰ্ণবোৰ দল সমূহক ভাঙিবলৈ দি শুদ্ধ উচ্চাৰণৰ নিৰীক্ষণ কৰিলোঁ। প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যুক্তবৰ্ণবোৰ উচ্চাৰণ কৰিব পাৰিছে। শিকনত পিছ পৰি থকা ছাত্ৰ-ছাত্ৰীসকলকো শুধৰাই সহায় কৰি দিলোঁ। মই লক্ষ্য কৰিলোঁ যে — সিহঁতে ক্ৰিয়া-কলাপটো কৰি আনন্দ উপভোগ কৰিছে। শেষত মই ছাত্ৰ-ছাত্ৰীসকলক এজন-এজনকৈ মাতি আনি ‘শিৱসাগৰ চাওঁ আহা’ নামৰ পাঠত থকা বিভিন্ন যুক্তাক্ষৰ ভাঙি উলিয়াই উচ্চাৰণ নিৰীক্ষণ কৰিলোঁ। যিসকলে উচ্চাৰণ কৰিব পৰা নাছিল সেইসকলৰ লগত কেইবাবাৰো উচ্চাৰণ কৰি যুক্তাক্ষৰ উচ্চাৰণৰ সক্ষমতা বৃদ্ধি কৰিলোঁ। গৃহকৰ্ম হিচাপে ছাত্ৰ-ছাত্ৰীসকলক কিছুমান যুক্তাক্ষৰযুক্ত শব্দৰ পৰা যুক্তবৰ্ণবোৰ বাছি উলিয়াই সৰবে উচ্চাৰণ কৰিবলৈ দিলোঁ।

— আস্থান, চিকিৎসা, নক্সা, সূক্ষ্ম, কীৰ্ত্তি, চেষ্টা, অম্লান, একাগ্ৰতা আদি।

***বিঃদ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মধুমিতা বাইদেৱে বিশেষভাবে যত্ন লৈছিল।***

**চিন্তা কৰি চাওঁ আহক —**

- ➪ মধুমিতা দাসে শ্ৰেণীকোঠাত শিকন কাৰ্যটো কেনেদৰে কৰিলে ?
- ➪ এই ক্ৰিয়া-কলাপটোৱে ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰ শিকনত কেনেদৰে সহায় কৰিলে ?
- ➪ সকলো ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপটোত অংশগ্ৰহণ কৰিছিলনে ?
- ➪ আমিও শিকন ফলাফলৰ দুৰ্বলতা আঁতৰ কৰিবলৈ কিবা নতুন ক্ৰিয়া-কলাপ কৰিব নোৱাৰোঁনে ?

**ক্ৰিয়া-কলাপ - ১**

**প্ৰস্তুতি ঃ**

এই ক্ৰিয়া-কলাপটোৰ বাবে শিক্ষকে কিছুমান শিক্ষণ সামগ্ৰী সংগ্ৰহ কৰি ল’ব লাগিব, সামগ্ৰীসমূহ হ’ল —

- ➪ পাঠ্যপুথি
- ➪ পাঠবহিৰ্ভূত পঠন সামগ্ৰীৰ পৰা দফা সংগ্ৰহ কৰি ল’ব।
- ➪ ব্লেকবোৰ্ড, চকপেঞ্চিল আদি।

শিক্ষকে বোৰ্ডত কিছুমান আৰ্হি বাক্য লিখি দিব। সকলো ছাত্ৰ-ছাত্ৰীকে বোৰ্ডলৈ চাই বাক্যসমূহ পঢ়িবলৈ দিব। বাক্যসমূহ পঢ়াৰ পিছত সকলোকে বাক্যসমূহ পঢ়ি কি বুজিলে সমূহীয়াভাবে সুধিব। ইয়াৰ পাছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসলক চাৰি-পাঁচজনীয়া দলত বিভক্ত কৰি দিব। শিক্ষকে আগতে সংগ্ৰহ কৰি থোৱা পাঠ বহিৰ্ভূত দফা লিখা কাগজসমূহ দলকেইটাক ভগাই দিব। দফাসমূহ প্ৰতিটো দলকে নীৰৱ পঠন কৰিবলৈ দিব। ছাত্ৰ-ছাত্ৰীসকলক দফাত থকা কঠিন শব্দ সমূহৰ অৰ্থ অভিধানত চাই ক'বলৈ আৰু লিখিবলৈ দিব। ইয়াৰ পাছত দফাসমূহৰ পৰা উদ্ভৱ হ'ব পৰা প্ৰশ্নসমূহ বোৰ্ডত লিখি দি, দলীয়ভাৱে তাৰ উত্তৰসমূহ উলিয়াবলৈ ক'ব। দলীয়ভাবে বাছি উলিওৱা উত্তৰসমূহ শিক্ষকে দলপতিক ক'বলৈ দিব।

ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকে বোৰ্ডত লিখি দিয়া বাক্যসমূহ পঢ়ি তাৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিব। ইয়াৰ পাছত শিক্ষকে দিয়া দফাটো পঢ়ি দলীয়ভাবে আলোচনা কৰি কঠিন শব্দসমূহৰ অৰ্থ অভিধান চাই লিখি উলিয়াব আৰু তেওঁলোকে কি লিখিলে, — পঢ়ি শুনাব। শিক্ষকে বোৰ্ডত লিখি দিয়া প্ৰশ্নসমূহৰ উত্তৰ ছাত্ৰ-ছাত্ৰীয়ে দফাটো পঢ়ি, বুজি দলীয়ভাবে বিচাৰি উলিয়াবলৈ যত্ন কৰিব। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে বিচাৰি উলিওৱা উত্তৰসমূহ পঢ়ি শুনাব।

**এই ক্ৰিয়া-কলাপটোত —**

⇨ শিকনত পিছ পৰি থকা ছাত্ৰ-ছাত্ৰীসকলেও দলীয় শিকনৰ মাজেদি নিজৰ দুৰ্বলতাসমূহ দূৰ কৰাৰ সুযোগ লাভ কৰিব।

⇨ পাঠ্যপুথি বহিৰ্ভূত পাঠ পঢ়ি বুজিবলৈ যত্ন কৰিব।

⇨ অভিধান চাই নতুন শব্দৰ অৰ্থ বিচাৰি উলিয়াবলৈ শিকিব।

**সাৰাংশ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে যিকোনো যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পাৰিছে।

⇨ পাঠ্যপুথি, পাঠ বহিৰ্ভূত পঠন সামগ্ৰীৰ কাৰ্ডত লিখি অনা দফা পঢ়ি প্ৰশ্নোত্তৰ কৰিবলৈ সক্ষম হৈছে।

⇨ অভিধান চাই কঠিন শব্দৰ অৰ্থ বিচাৰি উলিয়াবলৈ সক্ষম হৈছে।

**দৃঢ়ীকৰণ ঃ** শিক্ষাৰ্থীৰ শিকন দৃঢ়ীকৰণৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰোঁ আহক —

১) বোৰ্ডত যুক্তাক্ষৰযুক্ত চাৰি-পাঁচশাৰী বাক্য লিখি ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব।

২) তলৰ কবিতাফাকি পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ দিয়া?

"পছিম দিশত আছে
আৰব সাগৰ,
ভাৰতবৰ্ষ মোৰেই দেশ
জন্ম জন্মান্তৰ।"

১) আৰব সাগৰ কোন দিশত আছে লিখা।

২) 'জন্ম-জন্মান্তৰ' শব্দটোত কেইটা যুক্তাক্ষৰ আছে ভাঙি দেখুওৱা।

**শিক্ষাৰ্থীৰ বাবে অনুশীলন ঃ**

ক) তলৰ বাক্যসমূহত থকা যুক্তাক্ষৰযুক্ত শব্দকেইটা বহীত লিখি ডাঙৰকৈ পঢ়া —

১) গৰমৰ বন্ধত আমি বহুতো স্ফুৰ্তি কৰোঁ।

২) চেষ্টাৰ অসাধ্য একো নাই।

৩) ডাঙৰক সন্মান কৰিবা।

খ) তলৰ দফাটো পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ কৰা।

"আকবৰ দিল্লীৰ বাদছাহ আছিল। তেওঁৰ ৰাজসভাত বীৰবল নামেৰে এখন সভাসদ আছিল। বীৰবল

অতি বুধিয়ক বাবে আকবৰে বৰ স্নেহ কৰিছিল। আকবৰে মাজে-সময়ে সভাসদসকলৰ বুধিৰ পৰীক্ষা লৈছিল। কিন্তু বীৰবলক বুধিৰ পৰীক্ষাত কোনেও পৰাস্ত কৰিব পৰা নাছিল।”

১) দিল্লীৰ বাদছাহ কোন আছিল?

২) বুধিৰ পৰীক্ষাত কাক কোনেও পৰাস্ত কৰিব পৰা নাছিল?

৩) আকবৰে মাজে-সময়ে কাৰ বুধিৰ পৰীক্ষা লৈছিল?

**প্ৰসঙ্গ পুথি ঃ**

- ⇨ পাঠ্যপুথি — অংকুৰণ (তৃতীয় শ্ৰেণী)
- ⇨ চন্দ্ৰকান্ত অভিধান।

*****